# শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বিপণীত পাঠকৰ বাবে উপলব্ধ সভাৰ গ্ৰন্থ




সভাৰ গ্ৰন্থসম্ভাৰ মুকলি কৰিছে সভাপতি ড° শইকীয়াই

অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত এলানি নিৰ্বাচিত গ্ৰন্থ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বিপণীত পাঠকৰ বাবে উপলবদ্ধ হোৱাৰ ব্যৱস্থা কৰা হৈছে। যোৱা ১৮ নৱেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ তাৰিখে পুৱা ভাগত কলাক্ষেত্ৰৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই নিৰ্বাচিত গ্ৰন্থলানি আনুষ্ঠানিকভাৱে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰৰ হাতত অৰ্পণ কৰে।

সভাত আদৰণি ভাষণত শ্ৰীঠাকুৰে অসম সাহিত্য সভাই এইদৰে গ্ৰন্থ ৰাইজৰ কাষলৈ লৈ যোৱাৰ প্ৰচেষ্টাক প্ৰশংসা কৰি কয় যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ এনে অভিযানৰ সৈতে জড়িত হ'বলৈ পাই জাতীয় কৰ্তব্য পালন কৰিছে। অসম সাহিত্য সভাই ভৱিষ্যতে গ্ৰহণ কৰিবলগীয়া এনেধৰণৰ কল্যাণকামী আঁচনিৰ প্ৰতি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰই সদায় সহযোগ কৰিব বুলি শ্ৰীঠাকুৰে কয়।

সভাত ভাষণ প্ৰদান কৰি ড° কুলধৰ শইকীয়াই কয় যে অসম সাহিত্য সভাই অলপতে যোৰহাট আৰু গুৱাহাটীৰ বাহিৰেও অসমৰ বিভিন্ন স্থানত অৱস্থিত সভাৰ আঞ্চলিক কাৰ্যালয়সমূহত একোখনকৈ গ্ৰন্থ বিপণী মুকলি কৰাৰ আঁচনি হাতত লৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বিপণীত সভাৰ নিৰ্বাচিত গ্ৰন্থ সাধাৰণ ৰাইজৰ বাবে উপলব্ধ হোৱাৰ ব্যৱস্থা কৰাটো এই আঁচনিৰেই অন্তৰ্গত কাৰ্যসূচী বুলি ড° শইকীয়াই মন্তব্য কৰে। লগতে, তেওঁ আশা প্ৰকাশ কৰে যে শংকৰদেৱ কলাক্ষেত্ৰত সমবেত হোৱা দৰ্শক-ৰাইজে সভাৰ গ্ৰন্থখিনি আদৰি ল'ব।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই নিজ বক্তব্যত সভাৰ এনে আঁচনিৰ প্ৰতি ইতিবাচক সঁহাৰি আগবঢ়োৱা বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰৰ শলাগ লয় আৰু অসমৰ জাতীয় সম্পদ সংৰক্ষণৰ প্ৰসংগত তেওঁ শিৱসাগৰৰ এজন ব্যক্তিৰ হাতত অসুৰক্ষিত হৈ থকা অসম সাহিত্য সভাৰ কেইবাগৰাকীও সভাপতিৰ আংশিক ভাষণৰ বাণীবদ্ধৰূপখিনি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা হাতত ল'বলৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰক আহ্বান জনায়।

সভাত বৃহত্তৰ পাঞ্জাবাৰী সাহিত্য সভাৰ তৰফৰ পৰা সভাপতি ড° শইকীয়া, প্ৰধান সম্পাদক শ্ৰীশৰ্মা আৰু কলাক্ষেত্ৰৰ সচিব শ্ৰীঠাকুৰক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। শংকৰদেৱ কলাক্ষেত্ৰৰ তৰফৰ পৰা সচিবে সভাৰ মাননীয় সভাপতি আৰু প্ৰধান সম্পাদকক গামোচাৰে সম্বৰ্ধনা জনায়।

সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সচিব চন্দন শৰ্মাই আঁত ধৰা এই অনুষ্ঠানটিত পাঞ্জাবাৰী অঞ্চলৰ বিশিষ্ট নাগৰিক তথা বৰ্ষীয়ান সাংবাদিক-বুদ্ধিজীৱী ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী, সভাৰ প্ৰকাশন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি গঙ্গাপদ চৌধুৰী, উপ-সভাপতি ড° নমিতা ডেকা, আহ্বায়ক দেৱজিৎ বৰা, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি দাসো কলিতা, বিশিষ্ট শিক্ষাবিদ সুৰেন্দ্ৰমোহন মহন্ত, জ্যেষ্ঠ নাগৰিক অমিয় বৰ্মন, মহেন্দ্ৰনাথ বৰা, সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক মনজিৎ সিং, বৃহত্তৰ পাঞ্জাবাৰী সাহিত্য সভাৰ সভাপতি ডাঃ ভবেন্দ্ৰ দেৱশৰ্মা, সম্পাদক দীপ্তি বৰাকে আদি কৰি শাখা সাহিত্য সভাৰ বহুকেইগৰাকী সদস্য-বিষয়ববীয়া তথা অঞ্চলৰ বিশিষ্ট নাগৰিক উপস্থিত থাকে। সভা আৰম্ভ হোৱাৰ আগতে সভাপতি ড° শইকীয়াই বিপণীত সজাই থোৱা সভাৰ নিৰ্বাচিত গ্ৰন্থলানি ফিটা কাটি মুকলি কৰে।

০০০০